# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 26-10-2026 **Time :**07.55 Hrs.

শ্ৰীভূমি জিলাত বিহু দলক আক্ৰমণৰ ঘটনাক লৈ ৰাজ্যৰ বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আৰক্ষীয়ে ইতিমধ্যে শ্ৰীভূমি থানাত এই সন্দৰ্ভত ৰুজু কৰা গোচৰৰ ভিত্তিত ১৩ জন লোকক আটক কৰি আদালতলৈ প্ৰেৰণ কৰিছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয় যে ঘটনাৰ অধিক তদন্ত অব্যাহত আছে আৰু এই ঘটনাত জড়িতসকলক চিনাক্ত কৰি গ্ৰেপ্তাৰৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিহু দলৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এই ঘটনা গৰিহণাযোগ্য আৰু অসমৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰাৰ প্ৰতি অপমানজনক।

এই আক্ৰমণৰ ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, চুতীয়া সন্মিলনীয়ে দোষীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

অসম সাহিত্য সভায়ো আক্ৰমণৰ ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। এনে কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে উল্লেখ কৰে। সাহিত্য সভাই এই ঘটনাৰ নিৰপেক্ষ তদন্ত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে শ্ৰীভূমি জিলাৰ হিন্দুস্তান ক্লাবৰ দুৰ্গা পূজা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত বিহু পৰিৱেশনৰ বাবে আমন্ত্ৰণ জনোৱা দলটোক এদল দুৰ্বৃত্তই ভাবুকি দিয়াৰ লগতে আক্ৰমণ কৰে। এই ঘটনাত বিহু দলটোৰ কেইবাজনো শিল্পী আহত হয়।

০০০০০০০

দেশৰ আন অংশৰ লগতে অসমতো আজিৰে পৰা ১ নৱেম্বৰলৈ তদাৰকী সজাগতা সপ্তাহ পালন কৰিবলৈ লোৱা হৈছে। স্বচ্ছ, নিকা, দায়বদ্ধ দুনীৰ্তিমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে প্ৰতিবছৰে এই সপ্তাহ পালন কৰা হয়। এইবাৰ এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে সততাৰ জৰিয়তে সমৃদ্ধি। এই সপ্তাহৰ অংশ হিচাপে মন্ত্ৰালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু আন সংস্থাৰ কৰ্মচাৰী সকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে শপতবাক্য পাঠ কৰোৱা হব।

০০০০০

এছিয়ান গেমছৰ স্বৰ্ণজয়ী বক্সাৰ লাভলীনা বৰগোহাঁইয়ে কালি শিৱসাগৰত অৰ্জুন ভোগেশ্বৰ বৰুৱাক সাক্ষাৎ কৰি তেওঁৰ স্বাস্থ্যৰ বুজ লয়। ১৯৬৬ চনত বেংককত অনুষ্ঠিত এছিয়ান গেমছত স্বৰ্ণ পদক জয় কৰি গৌৰৱ কঢ়িয়াই অনা অৰ্জুন ভোগেশ্বৰ বৰুৱা আৰু নতুন প্ৰজন্মৰ ক্ৰীড়া প্ৰতিভা লাভলীনা বৰগোহাঁইয়ে ক্ৰীড়া বিষয়ক বিভিন্ন কথা আলোচনা কৰে। বৰ্ষীয়ান ক্ৰীড়াবিদগৰাকীয়ে লাভলীনা বৰগোহাঁইয়ে অসমৰ বাবে অনাগত

দিনত অধিক স্বৰ্ণ পদক জয় কৰিব বুলি আশা প্ৰকাশ কৰে। লাভলীনাই ভোগেশ্বৰ বৰুৱাৰ পৰা লাভ কৰা অনুপ্ৰেৰণা আৰু আশীৰ্বাদে তেওঁক আগবাঢ়ি যোৱাত সহায় কৰিছে বুলি মন্তব্য কৰে।

**বাইট (লাভলীনা)**

0000000

অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ওপজা দিন উপলক্ষে কালি শিৱসাগৰত বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত জিলাখনৰ লক্ষ্মীনাথ বেজবৰুৱা উদ্যানত আয়োজিত অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে চলিত বৰ্ষৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা বঁটা বিশিষ্ট সাহিত্যিক তথা সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীলৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। উল্লেখযোগ্য যে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাই ২০২১ চনৰ পৰা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিক সন্মান জনাই এই বঁটা প্ৰদান কৰি আহিছে।

00000000

গুৱাহাটী ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সংস্থাৰ পৃষ্ঠপোষকতাত কাইলৈৰ পৰা ৰাজ্যৰ ৩০টা স্থানত ৭১ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গুৱাহাটীত কালি এখন সংবাদমেলত গুৱাহাটী ক্ৰীড়া সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া মুনীন নবীশে কয় যে প্ৰতিযোগিতাখনত ২৯ খন জিলাৰ ২৩২টা দলে অংশগ্ৰহণ কৰিব। তিনিটা পৰ্যায়ত হ'বলগীয়া প্ৰতিযোগিতাখনৰ মুঠ প্ৰাইজমানি ৮০ লাখ টকা। প্ৰতিযোগিতখনৰ অন্তিম পৰ্যায়ৰ খেলসমূহ অহা ২০ নৱেম্বৰৰ পৰা গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত হ'ব। অহা ২৯ নৱেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ বৰদলৈ ট্ৰফীৰ দায়িত্ব অসম ক্ৰিকেট সন্থাই লোৱা বুলি সংবাদমেলযোগে আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

000000000

**সমাপ্ত**